**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। ইয়াৰ পাছত ড০ শৰ্মাই লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰিব। এই সন্দৰ্ভত সবিশেষ জনাব আমাৰ সংবাদদাতা আঁসীৰাণী দাসে-

*(বাইট)*

০০০০০০

ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি কালি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিত মহিলা আৰু শিশু কল্যাণ বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পোষণ মাহ অনুষ্ঠান ভিন্ন ক্ষেত্ৰৰ মানপত্ৰ বিতৰণ কৰা হয়। বিধায়ক তৰংগ গগৈ অনুষ্ঠানত উপস্থিত থাকি মানপত্ৰ বিতৰণ কৰে। যিসকল শিশু আৰু গৰ্ভৱতী মহিলাই পোষণৰ অভাৱত সন্মুখীন হোৱা ৰোগ বা অন্যান্য ব্যাধিৰ পৰা মুক্ত কৰিবলৈ পোষণ কৰ্মীসকলে যি অৱদান আগবঢ়াইছে তাৰ বাবে পোষণ কৰ্মৰ সৈতে জড়িত কৰ্মীক বিধায়কগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰে আৰু প্ৰতিগৰাকী শিশু আৰু গৰ্ভৱতী মহিলাৰ এনেদৰে সেৱা আগবঢ়াই জীৱন মান উন্নীত কৰিবলৈ আহ্বান জনায়।

০০০০০০

শুশ্ৰুষা সেঁতুৰ অধীনত বিধানসভা সমষ্টিৰ ভিত্তিত বৃহৎ স্বাস্থ্য শিবিৰ আজি ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুনবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব। টিংখাং সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী বিমল বৰাই এই স্বাস্থ্য শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০০

ভাৰত ম্যানমাৰ সীমান্তত বিগত কিছুদিনৰ পৰা আলফা স্বাধীন আৰু নগা বিদ্ৰোহী সংগঠন এন এছ্ চি এনৰ বিৰুদ্ধে নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানত নিষিদ্ধ ঘোষিত সংগঠন দুটাৰ সৈতে থকা সম্পৰ্কৰ অভিযোগত এগৰাকী মহিলা আৰু চাৰিজন ম্যানমাৰৰ নাগৰিকসহ  সাতজন লোকক গ্ৰেপ্তাৰ কৰা হয়। এই লোককেইজনে আলফাৰ ম্যানমাৰত থকা শিবিৰলৈ ঔষধ আৰু অন্যান্য সামগ্ৰী সৰবৰাহৰ লগত জড়িত থকা বুলি অভিযোগ উত্থাপিত হৈছে। তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গুৰব অভিজিৎ দিলীপে সংবাদ মাধ্যমক জনোৱা অনুসৰি আলফা স্বাধীনৰ মেজৰ জেনেৰেল অৰুণোদয় দহোটীয়াই তিনিচুকীয়াৰ এজন যুৱকক ঔষধ আৰু অন্যান্য সামগ্ৰী বিচাৰি যোগাযোগ কৰা বুলি যোৱা পৰহি নিৰ্ভৰযোগ্য সূত্ৰে তথ্য লাভ কৰাৰ পাছত নিৰাপত্তা বাহিনীয়ে এই অভিযান চলাইছিল। আৰক্ষীৰ সহযোগত চলোৱা এই অভিযানত সেনাই সংগঠনৰ লগত সম্পৰ্ক থকা ৭ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে এই লোককেইজনৰ পৰা যথেষ্ট পৰিমাণৰ চিকিৎসা সামগ্ৰী আৰু বয়-বস্তু জব্দ কৰিবলৈ সমৰ্থ হয়। এই লোককেইজনে ম্যানমাৰৰ শিবিৰলৈ সামগ্ৰীসমূহ প্ৰেৰণ কৰাৰ কথা আছিল বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ পাইছে। এই সন্দৰ্ভত আৰক্ষী আৰু নিৰাপ্তা বাহিনীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া বিভাগৰ উদ্যোগত তথা সাংবাদিকতা আৰু গণ সংযোগ কেন্দ্ৰৰ সহযোগত কালি বিশ্ববিদ্যালয়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ভৱনত ক্ৰীড়া ব্যৱস্থাপনা আৰু ক্ৰীড়া সাংবাদিকতাৰ বিষয়ত এখন কৰ্মশালা অনুষ্ঠিত হয়। ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ ক্ৰীড়া সাংবাদিক গীতিকা তালুকদাৰে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাক উদ্দেশি বক্তৃতা দিয়ে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকাই কৰ্মশালাখন উদ্বোধন কৰে।

০০০০০০

ঢকুৱাখনা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত কালি ঢকুৱাখনা আৰু ঘিলামৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তসমূহত সমাগত দিনবোৰত ৰূপায়ণ হ'বলগীয়া জন কল্যাণকামী আঁচনিসমূহৰ সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ঢকুৱাখনা সমষ্টিৰ বিধায়ক, লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী, লখিমপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, ঢকুৱাখনা আৰু ঘিলামৰা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী, খণ্ড উন্নয়ন বিষয়াকে ধৰি পঞ্চায়তসমূহৰ সভাপতি, সচিব আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যাসকল উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ হাতীআলিত সংঘটিত এটা পথ দুৰ্ঘটনাত কালি এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ লগতে আন এগৰাকী লোক আহত হয়। এখন স্কুটী আৰু এখন ৰন্ধন গেছৰ চিলিণ্ডাৰ কঢ়িওৱা বাহনৰ মাজত হোৱা সংঘৰ্ষৰ ফলত স্কুটীত আহি থকা মহিলাগৰাকী থিতাতে নিহত হোৱাৰ লগতে স্কুটীৰ চালক বিপিন গগৈ গুৰুতৰভাৱে আহত হয়।

০০০০০০

সমাপ্ত